**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-MAR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১।    অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ ২৮৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কাৰ্যসূচী।
২।    মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ভৰলুৰ উৰণ সেতু উদ্বোধন।
৩।    আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰদেশ কংগ্ৰেছৰ ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ।
৪।    সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে আনন্দমুখৰ পৰিৱেশ।    **আৰু**
৫।    টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ মুখামুখি।

০০০০০০

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি স্বাগত সতীৰ্থ প'ৰ্টেলৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰও আজি প্ৰদান কৰা হ'ব। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কালি ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে নৱনিযুক্ত বিষয়াসকলে যাতে নিৰ্বাচনৰ অভিজ্ঞতা লাভ কৰিব পাৰে, তাৰপ্ৰতি লক্ষ্য ৰাখি তেওঁলোকক সোনকালে নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ১৫ মাৰ্চৰ পূৰ্বে সৰ্বশিক্ষাৰ পৰা নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি লাভ কৰিবলগীয়া শিক্ষকসকলৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট

আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনেও অংশগ্ৰহণ কৰিব।

০০০০০০

ভৰলুৰ উৰণ সেতুখন আজি উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ লগতে উৰণ সেতুখন অসম গণ পৰিষদ দলৰ নেতা দীনেশ গোস্বামীৰ নামত উৎসৰ্গা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মাণ কৰা উদ্যানৰ আৰু এটা অংশ আজি মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সেতুখনে মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজগে'টক সংযোগ কৰিব।

০০০০০০

কংগ্ৰেছে আসন্ন  বিধানসভা নিৰ্বাচনৰ বাবে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ যোৰহাটৰ, মীৰা বৰঠাকুৰ দিছপুৰৰ প্ৰাৰ্থী হ'ব। ৰাতুল পাটোৱাৰীক

টিহু, নাৰায়ণ ভূঞাৰ বিহপুৰীয়া, অশোক শৰ্মাক নলবাৰীত টিকট প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বঙাইগাঁৱত গিৰিশ বৰুৱা, কমলপুৰত সত্যব্ৰত কলিতা, বৰক্ষেত্ৰীত দিগন্ত বৰ্মন, ছিপাঝাৰত বিনন্দ কুমাৰ শইকীয়া, জাগীৰোডত বুবুল দাস, হাজো-শুৱালকুছিত নন্দিতা দাস, বকো-ছয়গাঁৱত ৰমেন সিং ৰাভা, বৰপেটাত মহানন্দ সৰকাৰ, চামগুৰিত তানজিল হুছেইন, বৰচলাত ৰিপুন বৰা, লামডিঙত স্বপন কৰ, সোণাৰীত উৎপল গগৈ, নাজিৰাত দেবব্ৰত শইকীয়া, কৰিমগঞ্জ উত্তৰ সমষ্টিত জাকাৰিয়া আহমেদ, গৌৰীপুৰত আব্দুছ ছ'বাহন আলী সৰকাৰক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ৰূপহীহাটত নুৰুল হুদা, জোনাইত ৰাজকুমাৰ মেদক, ডুমডুমাত দুৰ্গা ভূমিজ, মাৰ্ঘেৰিটাত প্ৰতীক বৰদলৈ, চাবুৱা-লাহোৱালত প্ৰাঞ্জল ঘাটোৱাৰ, দুলীয়াজানত ধ্ৰুৱ গগৈক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ শীৰ্ষ নেতৃত্বই নাহৰকটীয়াত প্ৰণতি ফুকন, মাজুলীত ইন্দ্ৰনীল পেগু, টীয়কত পল্লৱ শইকীয়া গগৈ, শিলচৰত অভিজিৎ পল, বোকাজানত ৰতন ইংতিক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে প্ৰাৰ্থিত্ব লাভ কৰাৰ পাছত এইদৰে মত প্ৰকাশ কৰে-

**বাইট (গৌৰৱ গগৈ)**

ইপিনে, বিজেপিয়ে অসমসহ কেইবাখনো ৰাজ্যৰ ৰাজ্যসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ ভিতৰত দুখনৰ বাবে তেৰছ গোৱালা আৰু যোগেন মহনৰ নাম নিশ্চিত কৰা হৈছে। অৱশ্যে তৃতীয়খন আসনৰ বাবে এতিয়াও প্ৰাৰ্থী চূড়ান্ত হোৱা নাই। বিহাৰৰ দুখন আসনৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু ছিবেশ কুমাৰৰ নাম ঘোষণা কৰা হৈছে। ছত্তিশগড় আৰু হাৰিয়ানাৰ আসন দুখনৰ বাবে ক্ৰমে লক্ষ্মী বাৰ্মা আৰু সঞ্জয় ভাটিয়াৰ নাম ঘোষণা কৰা হৈছে। ওড়িশাৰ দুখন আসনৰ বাবে মনমোহন চামল আৰু সুজিত কুমাৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। পশ্চিমবংগৰ ৰাজ্যসভাৰ এখন আসনৰ বাবে ৰাহুল সিনহাৰ নাম বাছনি কৰা হৈছে।

০০০০০০

সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।  ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে পৰস্পৰক আবিৰ সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত কালি প্ৰথম ভৰদৌল পালন কৰা হয়। গোসাঁইৰ গাত ফাকু গুৰি ছটিয়াই সেৱা জনাবলৈ সত্ৰৰ চৌহদত প্ৰতিবছৰৰ দৰে এইবাৰো অগনন লোকৰ সমাগম হৈছে। বৰপেটাৰ পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। আজি দ্বিতীয় ভৰদৌল উপলক্ষে পুৱাৰেপৰা অগণন লোকৰ সত্ৰ চৌহদলৈ আগমন ঘটিছে। পৰহিলৈ সত্ৰত সুঁৱেৰী পালন কৰা হ'ব।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন  কৰা হৈছে। কোচবিহাৰৰ মধুপুৰ সত্ৰতো পৰহিৰেপৰা দৌল উৎসৱ উদযাপন কৰা হৈছে।

দৰং জিলাৰ বিভিন্ন সত্ৰ, দেৱালয়, নামঘৰ আদিতো দৌল উৎসৱ উদযাপন কৰা হৈছে।

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত জেং ৰেং পাৰাত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১০১ সংখ্যক দৌল মহোৎসৱ উদযাপন কৰা হৈছে। জিলাখনৰ কদমগুৰিটো পাঁচদিনীয়াকৈ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। প্ৰভাত ফেৰী, পূজা অৰ্চনা, শাস্ত্ৰ পাঠ, হোমযজ্ঞকে ধৰি কেইবাটাও কাৰ্যসূচী সম্পন্ন হয়।

**ধুবুৰী** জিলাৰ সত্ৰশালৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শ্ৰীশ্ৰী ৰামৰাইকুঠী সত্ৰত আজি তৃতীয়দিনা দৌল উৎসৱ পালন কৰা হৈছে। দৌলৰ সুঁৱেৰী উপলক্ষে নাম-কীৰ্তনৰ পাছত মেলাৰ আয়োজন কৰা হৈছে। এই মেলালৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কাষৰীয়া পশ্চিমবংগৰ বহুলোকৰ আগমন ঘটে। মেলাৰ শেষত গোসাঁইক

ফুৰোৱা হ'ব। জিলাখনত কালি দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি বসন্ত উৎসৱৰ আয়োজন কৰা হয়। বৰাক উপত্যকাৰ জিলাকেইখনতো দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি বসন্ত উৎসৱ পালন কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কালি গোটেই নিশা গোসাঁইক ৰভাঘৰত থৈ নাম-প্ৰসংগ কৰা হয়। নিশাৰ ভাগত আকাশী গংগা তীৰৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত সত্ৰীয়া অনুষ্ঠান আৰু গুৰুজনাৰ অপূৰ্ব সৃষ্টি পাৰিজাত হৰণ নাট পৰিবেশন কৰা হয়।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত ফল্গুৎসৱ অনুষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰত কালি দেৱদোলন আৰু ৰাজদোলন কাৰ্যসূচী অনুষ্ঠিত হয়। আজি মনুষ্য দোলনৰ পাছতে ফাকুখেলি কাৰ্যসূচী সামৰা হ'ব।

দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে গুৱাহাটী মহানগৰীতো উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে কেবাখনো জিলাৰ প্ৰশাসনে আজি স্থানীয় বন্ধ ঘোষণা কৰিছে।

০০০০০০

ধেমাজি জিলাত মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনত মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰে নিৰ্মাণ হোৱা পাঁচখন প্ৰাথমিক বিদ্যালয় আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত শ্ৰেণীকোঠা কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে কুংকুৰপুৰ নিম্ন প্ৰাথমিক বিদ্যালয়, কৃষ্ণপুৰ মিচিং প্ৰাথমিক বিদ্যালয়, ভকতনলা চামগুৰি প্ৰাথমিক বিদ্যালয়, শালমাৰী প্ৰাথমিক বিদ্যালয়, জীয়াঢল প্ৰাথমিক বিদ্যালয় আৰু জীয়াঢল উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত শ্ৰেণীকোঠা উদ্বোধন কৰে। মুঠ ৯৪ লাখ ২০ হাজাৰ টকা ব্যয়সাপেক্ষে এই শ্ৰেণীকোঠাসমূহ নিৰ্মাণ কৰা হৈছে। এই কাৰ্যসূচীত অংশ লোৱাৰ পাছত মন্ত্ৰী ডাঃ পেগুৱে কয়, যে জিলাখনৰ শিক্ষাৰ্থীসকলৰ শিক্ষাগ্ৰহণ অধিক সুবিধাজনক কৰি তোলাৰ বাবে প্ৰাথমিক বিদ্যালয়সমূহৰ এই আন্তঃগাঁথনি উন্নয়নৰ পদক্ষেপ লোৱা হৈছে।

০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ মুম্বাইত ভাৰত, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল, অসম, নাগালেণ্ড, মণিপুৰৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ আৰু মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**